# কৈৱৰ্তসকলৰ কথিত অসমীয়া ভাষাৰ বাক্যতত্ত্ব (বিশ্বনাথ জিলাৰ কৈৱৰ্তসকলৰ উল্লিখনসহ)

**মানস জ্যোতি দাস[১], ড° পাৰ্থপ্ৰতিম ফুকন[২]**

[১]গৱেষক ছাত্ৰ,[২]সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়

**সংক্ষিপ্তসাৰ**

*ভাষাবিজ্ঞানৰ আলোচনাৰ অন্যতম এটি উল্লেখযোগ্য দিশ হ'ল বাক্যতত্ত্ব। বাক্যৰ হৈছে ভাব বিনিময়ৰ মাধ্যম। অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীসমূহৰ ভিতৰত কৈৱৰ্তসকল অন্যতম। অতি প্ৰাচীন কালৰে পৰা কৈৱৰ্তসকল অসমত বসবাস কৰি আছে। কৈৱৰ্তসকলে অসমীয়া মান্যভাষাতে তেওঁলোকৰ ভাবৰ বিনিময় কৰে যদিও ধ্বনিৰ উচ্চাৰণ ৰূপতাত্ত্বিক দিশৰ ভিন্নতা, শব্দগত ভিন্নতা আৰু বাক্যতাত্ত্বিক দিশত কিছু সুকীয়া বৈশিষ্ট্য দেখিবলৈ পোৱা যায়।*

*বিশ্বনাথ জিলাতো কৈৱৰ্তসকলে বহু প্ৰাচীন সময়ৰ পৰা বসবাস কৰি আহিছে। তেওঁলোকে ব্যৱহাৰ কৰা অসমীয়া ভাষাৰ ক্ষেত্ৰতো স্বতন্ত্ৰ ভাষাতাত্ত্বিক ভিন্নতা দেখিবলৈ পোৱা যায়। এই গৱেষণা পত্ৰখনিত " কৈৱৰ্তসকলৰ কথিত অসমীয়া ভাষাৰ বাক্যতত্ত্ব (বিশ্বনাথ জিলাৰ কৈৱৰ্তসকলৰ উল্লিখনসহ)"বাক্যৰ ক্ষেত্ৰত কেনেধৰণৰ স্বকীয়তা আছে সেইসমূহ অধ্যয়ন কৰাৰ প্ৰয়াস কৰি এই বিষয়টি নিৰ্বাচন কৰি লোৱা হৈছে। এই পত্ৰখন প্ৰস্তুত কৰিবলৈ সমাজ ভাষাজ্ঞৈানিক পদ্ধতিৰ লগতে বৰ্ণনাত্মক ভাষাবৈজ্ঞানিক পদ্ধতিও গ্ৰহণ কৰা হৈছে।*

**বীজ শব্দ ঃ**
*কৈৱৰ্তসকল, ভাষা, বাক্যতত্ত্ব,কথিত*

**Article History:**
**Received** on 20 July, 2025
**Accepted** on 26 August, 2025

## বিষয়ৰ পৰিচয়

ভাষা হৈছে ভাব বিনিময়ৰ মাধ্যম। এই ভাষাৰ জৰিয়তে মানুহ এজনে আন এজনক মনৰ ভাব ব্যক্ত কৰে। মানুহে কথা কওঁতে বাগিন্দ্ৰিয়ৰ পৰা কিছুমান ধ্বনি উচ্চাৰণ কৰে। এই ধ্বনিবোৰ এটা বা তাতোধিক লগ লাগি একোটা শব্দৰ সৃষ্টি হয়। শব্দবোৰক ইটোৰ পাছত সিটোৰ একোটা সম্বন্ধেৰে বান্ধ খুৱাই একোটা বাক্য সজোৱা হয়। এইদৰে গঠন কৰা বাক্যৰ জৰিয়তে মনৰ ভাব-চিন্তা এজনে আনজনক প্ৰকাশ কৰে। ভাষা এটাৰ মৰ্যাদা এটা বাক্যৰ ওপৰত নিহিত।[১] বাক্যই হৈছে ভাষা এটাৰ বৃহত্তম একক। বাক্যই একোটা মনোভাব সম্পূৰ্ণ প্ৰকাশ কৰিব পাৰে।

'বাক্যতত্ত্ব'ৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'Syntax' । গ্ৰীক ভাষাৰ পৰা অহা 'Syntaxis'শব্দৰ আভিধানিক অৰ্থ হ'ল—Rules for Sentence making ।বাক্যতত্ত্বত ভাষা এটাৰ শব্দ সজ্জা, বাক্যৰ বিভিন্ন গাঁথনি, বাক্যৰ প্ৰকাৰ, বাক্যত ৰূপান্তৰ বাক্যৰ অন্তৰ্নিৰ্হিত সুৰ,বাক্যাংশ, বাক্যৰ নিকটস্থ অংগ আদি বিভিন্ন দিশসমূহ বাক্যতত্ত্বত আলোচনা কৰা হয়। বাক্যতত্ত্বৰ পৰিসৰ অতি ব্যাপক।[২] কৈৱৰ্তসকলৰ কথিত ভাষাটো বাক্যতত্ত্বৰ ভূমিকা লক্ষ্য কৰা যায়।

## অধ্যয়নৰ উদ্দেশ্য

" কৈৱৰ্তসকলৰ কথিত অসমীয়া ভাষাৰ বাক্যতত্ত্ব (বিশ্বনাথ জিলাৰ কৈৱৰ্তসকলৰ উল্লিখনসহ) শীৰ্ষক বিষয়টোৰ অধ্যয়ন কৰাৰ উদ্দেশ্য হ'ল-

- বিশ্বনাথ জিলাৰ কৈৱৰ্তসকলৰ কথিত অসমীয়া ভাষাৰ বাক্যৰ গঠনৰীতিৰ বিষয়ে আলোচনা কৰা।
- বিশ্বনাথ জিলাৰ কৈৱৰ্তসকলৰ কথিত অসমীয়া ভাষাত স্বকীয় ৰূপ সৃষ্টি কৰা কাৰকসমূহৰ বিষয়ে অধ্যয়ন কৰা।

## অধ্যয়নৰ গুৰুত্ব

" কৈৱৰ্তসকলৰ কথিত অসমীয়া ভাষাৰ বাক্যতত্ত্ব (বিশ্বনাথ জিলাৰ কৈৱৰ্তসকলৰ উল্লিখনসহ)" শীৰ্ষক বিষয়টোৰ অধ্যয়ন কৰাৰ গুৰুত্ব হ'ল- অতি প্ৰাচীন কালৰে পৰা বসবাস কৰি অহা অসমৰ কৈৱৰ্তসকলে অসমীয়া ভাষাকে কথিত ৰূপত ব্যৱহাৰ কৰি আহিছে যদিও বাক্যৰ গঠনৰীতিৰ ক্ষেত্ৰত মান্য অসমীয়াতকৈ কিছু ভিন্ন হোৱা পৰিলক্ষিত হয়। সেই সমূহ পোহৰলৈ অনাৰ দিশত বিষয়টি নিৰ্বাচনত গুৰুত্ব দিয়া হৈছে।

**অধ্যয়নৰ পৰিসৰ**

- ক্ষেত্ৰ অধ্যয়নৰ পৰিসৰ—বিশ্বনাথ জিলাৰ চতিয়াৰ পছুচৰা, বিহালী, বিশ্বনাথ ঘাট, হাৰাজান।
- বিষয়ৰ পৰিসৰ—বাক্যতত্ত্ব-বাক্যৰ গঠন, শ্ৰেণীবিভাজন, বাক্যৰ উপাদান, জতুৱা শব্দ।

**অধ্যয়নৰ পদ্ধতি ঃ**

" কৈৱৰ্তসকলৰ কথিত অসমীয়া ভাষাৰ বাক্যতত্ত্ব (বিশ্বনাথ জিলাৰ কৈৱৰ্তসকলৰ উল্লিখনসহ)" শীৰ্ষক বিষয়টো গৱেষণাৰ বাবে বৰ্ণনাত্মক পদ্ধতি, সমাজ ভাষাবৈজ্ঞানিক আৰু বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হ'ব।

**তথ্য আহৰণ পদ্ধতি**

এই গৱেষণা কৰ্মত তথ্য আহৰণৰ বাবে ক্ষেত্ৰ ভাষাবিজ্ঞানৰ লগত সম্পৰ্ক থকা সুকীয়া ক্ষেত্ৰ অধ্যয়ন পদ্ধতি গ্ৰহণ কৰা হ'ব। সেইকেইটা হ'ল—

- সাক্ষাৎকাৰ পদ্ধতি
- নমুনা সংগ্ৰহ পদ্ধতি

**তথ্য বিশ্লেষণ পদ্ধতি**

" কৈৱৰ্তসকলৰ কথিত অসমীয়া ভাষাৰ বাক্যতত্ত্ব (বিশ্বনাথ জিলাৰ কৈৱৰ্তসকলৰ উল্লিখনসহ)" শীৰ্ষক বিষয়টো অধ্যয়নৰ ক্ষেত্ৰত তথ্য বিশ্লেষণৰ বাবে তলত উল্লেখ কৰা পদ্ধতিকেইটা লোৱা হ'ব। সেইকেইটা হ'ল—

- বৰ্ণনাত্মক পদ্ধতি
- সমাজ ভাষাবৈজ্ঞানিক পদ্ধতি

**তথ্য আহৰণ**

" কৈৱৰ্তসকলৰ কথিত অসমীয়া ভাষাৰ বাক্যতত্ত্ব (বিশ্বনাথ জিলাৰ কৈৱৰ্তসকলৰ উল্লিখনসহ)" শীৰ্ষক বিষয়টোৰ গৱেষণা কৰ্মত প্ৰধানতঃ দুই ধৰণৰ উৎসৰ পৰা তথ্য সংগ্ৰহ কৰা হ'ব-

- মুখ্য উৎস
- গৌণ উৎস

**মুখ্য সমল**

এই গৱেষণা কৰ্মৰ বাবে মুখ্য সমল হিচাপে বিভিন্ন গ্ৰন্থাগাৰ আৰু ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে ভিন্ন সমল ব্যক্তিৰ পৰা লাভ কৰা কৈৱৰ্তসকলৰ ভাষাৰ ক্ষেত্ৰত প্ৰকাশ কৰা গ্ৰন্থসমূহক মুখ্য সমল হিচাপে গ্ৰহণ কৰা হ'ব।

**গৌণ সমল**

এই গৱেষণা কৰ্মৰ গৌণ সমল হিচাপে চৰকাৰী বা বেচৰকাৰী বিভিন্ন সংস্থাৰ জৰীপ, ইণ্টাৰনেট আদিৰ পৰা লাভ কৰা তথ্যসমূহ বিচাৰ-বিশ্লেষণ কৰি গৌণ তথ্য হিচাপে সংগ্ৰহ কৰা হ'ব। ইয়াৰ উপৰি তথ্য সংগ্ৰহৰ বাবে কেমেৰা, ম'বাইল, লেপটপ, কাগজ-কলম আদিক গৌণ সমল হিচাপে লোৱা হব।

**কৈৱৰ্তসকলৰ কথিত ভাষাত বাক্যৰ উপাদান**

কৈৱৰ্তসকলৰ কথিত ভাষাত বাক্যতত্ত্বৰ স্তৰত বাক্যত ব্যৱহৃত একাধিক সুসংগঠন বাক্য সৃষ্টিৰ সম্পৰ্কে আলোচনা কৰা হয়। ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু অৰ্থতত্ত্ব এই সকলোবোৰ উপাদানৰে একোটা সহ সম্বন্ধ লক্ষ্য কৰা যায়। কৈৱৰ্তসকলৰ কথিত ভাষাত বাক্যতত্ত্বৰ উপাদানক ৰেখা চিত্ৰৰ সহায়ত দেখুওৱা হ'ল—ধ্বনি—অৰ্থ—বাক্য—ৰূপ

একাধিক পদৰ সুসংগঠনত বাক্যৰ সৃষ্টি হয়। এই সকলোবোৰৰ উপৰিও সুৰ লহৰো বাক্যত এক প্ৰয়োজনীয় উপাদান বুলি ক'ব পাৰি। যেনে—

- তুমি চা সালা। (তুমি চাহ খালা।)
- তুমি চা সালা? (তুমি চাহ খালা?)

উক্ত উদাহৰণৰ বাক্য কেইটাত 'চা'(চাহ) শব্দটো উচ্চাৰণ কৰোঁতে অকস্মাত সুৰ লহৰৰ অৰ্ধগামী হৈছে আৰু 'সালা'(খালা) বুলি কওঁতে সুৰ নিম্নগামী হৈ এটা দীৰ্ঘ বিৰামৰ সূচনা হৈছে। ইয়াৰ ফলত বাক্যটো—

- নিশ্চয়বাচক অৰ্থ আৰু
- প্ৰশ্নসূচক হৈছে।

কৈৱৰ্তসকলে কথিত ভাষাত অন্তৰানুভূতিৰ সহায়ত বাক্য দুটাৰ অৰ্থ সুকীয়া সুকীয়াকৈ বুজি লয়।

## কৈৱৰ্তসকলৰ কথিত ভাষাত বাক্যৰ গঠন প্ৰক্ৰিয়া

কৈৱৰ্তসকলৰ কথিত ভাষাত বাক্যৰ গঠন প্ৰক্ৰিয়াকৰ ভাগ সমূহৰ আলোচনা দাঙি ধৰা হ'ল—

● শব্দ আৰু পদৰ সংযোগ কৰিহে বাক্য গঠন কৰা হয়। বাক্য এটা শুদ্ধকৈ সজাবলৈ হ'লে শব্দ আৰু পদ সমূহ সানমিহলি কৰি য'তে ত'তে বহাই দিলেই নহব, সেই বাক্যৰ অৰ্থযুক্ত শব্দ আৰু পদসমূহ যথাস্থানত বহুৱালেহে বাক্য এটাই সম্পূৰ্ণ ভা বা অৰ্থ প্ৰকাশ কৰিব পাৰে।[৩] কৈৱৰ্তসকলৰ কথিত ভাষাত সাধাৰণতে তলত উল্লেখ কৰা পদসমূহ লক্ষ্য কৰা যায়—

- কাৰকবাচক
- ক্ৰিয়াবাচক
- বিশেষণ
- অব্যয় পদ

কৈৱৰ্তসকলৰ কথিত ৰূপত ক্ৰিয়াপদ অতি প্ৰয়োজনীয়। কৰ্তা, কৰ্ম, কৰণ, সম্পাদান, অপাদান, অধিকৰণ এই কাৰকবাচক পদসমূহে সদায় ক্ৰিয়াবাচক পদৰ লগত সম্পৰ্ক স্থাপন কৰে। ইহঁতৰ সকলোকে বাক্য একোটাত স্থান দিয়া হয় আৰু ইহঁতে একোটা কাৰ্য সম্পাদন কৰে। তলত উদাহৰণ দাঙি ধৰা হ'ল—

মানুজনে খইসিনি কুথাএ ফালিলে।
(মানুহজনে খৰিখিনি কুঠাৰে ফালিলে।)

ওপৰত উল্লেখ কৰা বাক্যটিত 'মানুজনে'(মানুহজনে) কৰ্তা আৰু 'ফালিলে' ক্ৰিয়া। বাক্যটিত কৰ্তা আৰু ক্ৰিয়াৰ সম্বন্ধ অতি নিবিড়। কৰ্তাৰ বাহিৰে বাকী পদবোৰে ক্ৰিয়াৰ লগতহে পোনপটীয়া সম্পৰ্ক স্থাপন কৰিছে। তলত সেই সমূহ উল্লেখ কৰা হ'ল—

| কৰ্তা | কৰ্ম | কৰণ | ক্ৰিয়া |
|---|---|---|---|
| মানুজনে | খইসিনি | কুথাএ | ফালিলে |

অব্যয় পদসমূহে বাক্যত ব্যৱহৃত পদসমূহৰ লগত সম্পৰ্ক স্থাপন নকৰে। দুটি বাক্য সংযোগ কৰিবলৈ আৰু বিভিন্ন ভাব প্ৰকাশ কৰিবলৈ অব্যয় পদসমূহ বাক্যত সংযোগ কৰা হ'য়।[৪] মান্য অসমীয়া ভাষাৰ দৰে কৈৱৰ্তসকলৰ কথিত ৰূপতে অব্যয় পদসমূহৰ ভূমিকা একেই। যেনে—

**সংযোজক অব্যয়ঃ**

| **কৈৱৰ্তসকলৰ কথিত ৰূপ** | **মান্য অসমীয়া** |
|---|---|
| ৰাম আও জদু ঘঅলৈ গল। | ৰাম আৰু যদু ঘৰলৈ গ'ল। |
| মঅম কিনতু আহিবা দেই। | মৰম কিন্তু আহিবা দেই। |
| হই নাইবা বিজই আহিব | হৰি নাইবা বিজয় আহিবা। |

**আশ্চৰ্য ভাব প্ৰকাশক বাক্য ঃ**

| **কৈৱৰ্তসকলৰ কথিত ৰূপ** | **মান্য অসমীয়া** |
|---|---|
| বা বা কিমান পালা পইচা। | বাঃ বাঃ কিমান পালা পইচা। |
| চি চি লেতেআবু কিঅ চুইচা | ছিঃ ছিঃ লেতেৰাবোৰ কিয় চুইছা। |
| আই ঐ দেহি, লআটু ইমান মঅম লগা | আই ঐ দেহি, ল'ৰাটো ইমান মৰম লগা। |
| ওফ, ইমান গঅম | উফ, ইমান গৰম। |

● কৈৱৰ্তসকলৰ কথিত ৰূপত ভাব প্ৰকাশক বাক্যবোৰৰ সদায় দুটা অৱস্থান থাকে। সেই কেইটা হ'ল উদ্দেশ্য আৰু বিধেয়। যাক অৱলম্বন কৰি বক্তাৰ মনোভাৱ প্ৰকাশিত হয় তাক উদ্দেশ্য আৰু উদ্দেশ্য সম্বন্ধে যিকোৱা হয় তাকে বিধেয় বোলে।[৫]

যেনে— ৰাম বজাঅলৈ গল।

(ৰাম বজাৰলৈ গ'ল)

ওপৰত উল্লেখ কৰা কৰা বাক্যটিত ‘ৰাম’ উদ্দেশ্য আৰু ‘বজাঅলৈ গল’ (বজাৰলৈ গ'ল) হ'ব বিধেয়।

- বাক্য এটা শুদ্ধকৈ সজাই তুলিবলৈ হ'লে অর্থযুক্ত শব্দ আৰু পদসমূহ যথাস্থানত বহুৱাব লাগে। অর্থযুক্ত পদসমূহক ক্রম অনুসৰি লগলগাই বহুৱালেহে বাক্য এটাই সম্পূর্ণ অর্থ প্রকাশ কৰিব পাৰে। কৈৱর্তসকলৰ কথিত ভাষাত সাধাৰণতে মান্য অসমীয়া ভাষাৰ দৰেই বাক্য ৰচনা কৰোঁতে দুটা কথালৈ লক্ষ্য কৰা যায়। সেই কেইটা হ'ল—

■ বাক্যত ব্যৱহৃত শব্দৰ ক্রম আৰু

■ শব্দবোৰৰ মাজত পাৰস্পৰিক সম্পর্ক

## কৈৱর্তসকলৰ কথিত ভাষাত বাক্যৰ শ্রেণীবিভাজন

কৈৱর্তসকলৰ কথিত ভাষাত বাক্যক দুই ধৰণে বিভাজন কৰিব পাৰি।

■ বাক্যৰ গঠনগত শ্রেণীবিভাজন

■ বাক্যৰ অর্থগত শ্রেণীবিভাজন

## বাক্যৰ গঠনগত শ্রেণীবিভাজন

বাক্য হৈছে কিছুমান অর্থযুক্ত পদৰ সমষ্টি। এক বা একাধিক পদ সংযোগ কৰি এটি চুটি বাক্য আৰু এক বা তাতোধিক পদ সংযোগ কৰি এটি দীঘল বাক্য গঠন কৰা হয়। বাক্যত ব্যৱহৃত পদ কেতিয়াবা স্বাধীন আৰু কেতিয়াবা অন্য এটা বাক্যাংশৰ নির্ভৰশীল হোৱা পৰিলক্ষিত হয়। এনে বাক্যৰ ওপৰত নির্ভৰ কৰি বাক্যক গঠনগত দিশৰ পৰা তিনিটা ভাগত ভাগ কৰা হয়। সেইকেইটা হ'ল—

■ সৰল বাক্য

■ মিশ্র বা জটিল বাক্য

■ যৌগিক বাক্য

### সৰল বাক্য

যিবোৰ বাক্যত এটা উদ্দেশ্য আৰু এটা বিধেয় থাকে তাকে সৰল বাক্য বুলি কোৱা হয়।[৬]

যেনে ঃ

| কৈৱর্তসকলৰ কথিত ৰূপ | মান্য অসমীয়া |
|---|---|
| মই চা সাও। | মই ভাত খাওঁ। |
| সি ঘঅলৈ গল। | সি ঘৰলৈ গ'ল। |
| গওএ ঘা সাই। | গৰুৱে ঘাঁহ খায়। |
| গাসি বগা | গাখীৰ বগা। |

কৈৱর্তসকলৰ কথিত ভাষাত ক্রিয়া পদ উহ্য হৈ থকা বাক্যও লক্ষ্য কৰা যায়। যেনে—

♦ বমপুত এসন অসমঅ দাঙ নদি।

(ব্রহ্মাপুত্র এখন অসমৰ ডাঙৰ নদী।)

♦ মানসঅ দেতাক বিচনাথ কলেজঅ অধ্যাপক।

(মানসৰ দেউতাক বিশ্বনাথ কলেজৰ অধ্যাপক।)

### মিশ্র বা জটিল বাক্য

যি বাক্যত এটা প্রধান উপবাক্য আৰু তাৰ ওপৰত নির্ভৰশীল এক বা একাধিক গৌণ উপবাক্য তাকে, তাকে মিশ্র বা জটিল বাক্য বোলে।[৭] কৈৱর্তসকলৰ কথিত ভাষাটো এনে বাক্যৰ প্রয়োগ লক্ষ্য কৰা যায়। যেনে—

‘তুমি মোক যিসন চিনেমা দিছিলা, সেইসন চালো।’

(তুমি মোক যিখন চিনেমা দিছিলা, সেইখন চালোঁ।)

ওপৰত উল্লেখ কৰা বাক্যটোত ‘সেইসন চালো’ (সেইখন চালোঁ) অংশটো বাক্যটোৰ প্রধান উপবাক্য আৰু ‘তুমি মোক যিসন চিনেমা দিছিলা’ অংশটো গৌণ উপবাক্য। এই গৌণ উপবাক্যবোৰ বিশেষ্য, বিশেষণ বা ক্রিয়া বিশেষণ হ'ব পাৰে।

### যৌগিক বাক্য

একাধিক সৰল অথবা মিশ্ৰবাক্য সংযোজক অথবা বিয়োজক অব্যয়ৰ দ্বাৰা যুক্ত হৈ যি বাক্য গঠন কৰা হয় তাকে যৌগিক বা সংযুক্ত বাক্য বোলে।[৮] কৈৱৰ্তসকলৰ কথিত ভাষাত কিনতু(কিন্তু), জদি (যদি), তেন্তে, তথাপি, আও(আৰু), অথবা, নাইবা আদি সংযোজক অব্যয়ৰ সহায়ত জোৰা লগাই যৌগিক বাক্য গঠন কৰা হয়। যেনে—

সি মু আপুন মানু জদিও তা পতি মু মঅম নাই'।

(সি মোৰ আপুন মানুহ যদিও তাৰ প্ৰতি মোৰ মৰম নাই)

ওপৰত উল্লেখ কৰা বাক্যটোত দুটা সৰল বাক্য আছে—'সি মু আপুন মান' আৰু তা পতি মু মঅম নাই' ইয়াত 'জদিও' অব্যয়ৰ দ্বাৰা ইয়াক যুক্ত কৰা হৈছে। গতিকে উক্ত বাক্যটো এটা যৌগিক বাক্য।

**বাক্যৰ অৰ্থগত শ্ৰেণীবিভাজন**

মান্য অসমীয়া ভাষাৰ দৰে কৈৱৰ্তসকলৰ কথিত ভাষাত বাক্যৰ অৰ্থগত শ্ৰেণীবিভাজনক পাঁচোটা ভাগত ভাগ কৰা হয়। সেহ কেইটা হ'ল—

→ বৰ্ণনাত্মক বাক্য

→ আদেশ, আনোৰোধসূচক বাক্য

→ প্ৰশ্নসূচক বাক্য

→ বিস্ময় বা আশ্চৰ্যসূচক বাক্য

→ ইচ্ছা বা ভাবসূচক বাক্য

ওপৰত উল্লেখ কৰা প্ৰতিটো ভাগৰে সদৰ্থক আৰু নঞৰ্থক দুটা ৰূপ লক্ষ্য কৰা যায়। অস্তি বা ইতিবাচক অৰ্থসূচক বাক্যক সদৰ্থক আৰু নহয়বোধক বা নাস্তি অৰ্থসূচক বাক্যক নঞৰ্থক বাক্য বোলা হয়।[৯] কৈৱৰ্তসকলৰ কথিত ভাষাত 'ন' নেতিবাচক ৰূপ সংযোগ কৰি 'নাই' অনিয়মিত ৰূপ যোগ কৰা হয়। তলত কৈৱৰ্তসকলৰ কথিত ৰূপত বাক্যৰ অৰ্থগত শ্ৰেণীবিভাজনৰ পাচোঁটি প্ৰকাৰৰে উদাহৰণ দাঙি ধৰা হ'ল—

**বৰ্ণনাত্মক বাক্য ঃ** যি বাক্যই বিষয়, ব্যক্তি, স্থান বা পৰিস্থিতিৰ বিষয়ে তথ্য, বিবৰণ বা বৰ্ণনা কৰে তাকে বৰ্ণনাত্মক বাক্য বোলা হয়। যেনে—

- ☐ পুবঅ ৰিতি-নিতি মানি চলাতু আমা পঅমপআ
  (পূৰ্বৰ ৰীতি-নীতি মানি চলাতো আমাৰ পৰম্পৰা)
- ☐ পাচিন পুথিসমূহ আমা পুঅনি ৰত্ন
  (প্ৰাচীন পুথিসমূহ আমাৰ পুৰণি ৰত্ন)
- ☐ পুবঅ ৰিতি-নিতি মানি চলাতু আমা পঅমপআ নহয়।
  (পূৰ্বৰ ৰীতি-নীতি মানি চলাতো আমাৰ পৰম্পৰা নহয়।)
- ☐ পাচিন পুথিসমূহ আমা পুঅনি ৰত্ন নহয়।
  (প্ৰাচীন পুথিসমূহ আমাৰ পুৰণি ৰত্ন নহয়)

**আদেশ, আনোৰোধসূচক বাক্য ঃ** যি বাক্যই আদেশ, নিৰ্দেশ, উপদেশ বা অনুৰোধ প্ৰকাশ কৰে তাকে আদেশ, আনুৰোধসূচক বাক্য বুলি কোৱা হয়। যেনে—

- ☐ দুআসন বন্ধ কআ।
  (দুৱাৰখন বন্ধ কৰা)
- ☐ সকলুএ নিজঅ আসনত বহক।
  (সকলোৰে নিজৰ আসনত বহক)
- ☐ পহা সমইত সনুযুগ দিআ।
  (পঢ়াৰ সময়ত মনোযোগ দিয়া।)
- ☐ তুমি এতিআই ঘঅলৈ আহা।
  (তুমি এতিয়াই ঘৰলৈ আহা।)
- ☐ দইআ কই মুক কিতাবসন পহিবলৈ দিবানে?
  (দয়া কৰি মোক কিতাপখন পঢ়িবলৈ দিবানে?)

- অনুগহ কই সিইকিসন বন্দ কই দিআ।
  (অনুগ্ৰহ কৰি খিৰিকিখন বন্ধ কৰি দিয়া।)

**প্ৰশ্নসূচক বাক্য ঃ** যি বাক্যৰ জড়িয়তে মনত উদয় হোৱা ভাব, তথ্য আদি জানিব বা বুজিব খুজে তাকে প্ৰশ্নসূচক বাক্য বুলি কোৱা হ'য়। যেনে—

- তুমি কত থাকা
  (তুমি ক'ত থাকা)
- সিককজন আহিল জানু?
  (শিক্ষকক জন আহিল জানো?।)
- কইম নাহিল নেকি?
  (কৰিম নাহিল নেকি।)
- কামটু কেতিআ সেস হব?
  (কামটো কেতিয়া শেষ হ'ব।)

**বিস্ময় বা আশ্চৰ্যসূচক বাক্য ঃ** যি বাক্যই আচৰিত, উত্তেজনা, আশ্চৰ্য,বিস্ময় বা তীব্ৰ আৱেগ প্ৰকাশ কৰে তাকে বিস্ময় বা আশ্চৰ্যসূচক বাক্য বোলা হয়। যেনে—

- মই ভাবিলু,কামটু দাঙএ হল!
  (মই ভাবিলোঁ, কামটো ডাঙৰেই হ'ল!)
- কথাটু ইমান ডাঙঅ হব বুলি মই ভাবিব পআ নাছিলু!
  (কথাটো ইমান ডাঙৰ হ'ব বুলি মই ভাবিব পৰা নাছিলোঁ)
- আ কি অপুব দিচঅ !
  (আহঃ কি অপূৰ্ব দৃশ্য!)
- কি অদ্ভুত ঘতনা!
  (কি অদ্ভুত ঘটনা!)
- ওফ ইমান গঅম!
  (উফ ঃ ইমান গৰম!)

**ইচ্ছা বা ভাবসূচক বাক্য ঃ** যি বাক্যই ইচ্ছা, আকাংক্ষা, প্ৰাৰ্থনা, শুভেচ্ছা বা আৰ্শীবাদ আদি প্ৰকাশ কৰে তাকে ইচ্ছাসূচক বা ভাবসূচক বাক্য বুলি কোৱা হয়। যেনে—

- তুমআ কুসল হওক।
  (তোমাৰ কুশল হওক।)
- তুমি সদাই সুসি হুআ।
  (তুমি সদায় সুখী হোৱা।)
- তুমআ সপুনবু পুঅন হওক।
  (তোমাৰ সপোনবোৰ পূৰণ হওক।)
- ইচএ তেওক দিগজিবি কই কুসলে ৰাসক।
  (ঈশ্বৰে তেওঁক দীৰ্ঘজীৱী কৰি কুশলে ৰাখক।)

কৈৱৰ্তসকলৰ কথিত ভাষাত বাচ্য অনুসৰি বাক্যৰ প্ৰকাৰ ভেদ কৰিব পাৰি। বাক্যৰ মূল অংশ কৰ্তা,কৰ্ম আৰু ক্ৰিয়া এই তিনিটাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিয়েই বাক্য ৰচনা কৰা হয়। কৈৱৰ্তসকলৰ কথিত ৰূপৰ বাক্যত তেতিয়াবা কৰ্তাক, কেতিয়াবা কৰ্মক আৰু কেতিয়াবা ক্ৰিয়াক প্ৰাধান্য দিয়া লক্ষ্য কৰা যায়। এনে গুৰুত্ব অনুসৰি বাক্যৰ গঠনৰ তাৰতম্য ঘটে আৰু পদ ব্যৱহাৰৰ সাল-সলনি হয়। কৈৱৰ্তসকলৰ কথিত ৰূপত বাচ্য অৰ্থাৎ কথা কোৱাৰ ধৰণ বা ভংগী অনুসৰি তিনি প্ৰকাৰৰ বাক্য পোৱা যায়। সেই কেইটা হ'ল—

→ কৰ্তৃবাচ্যৰ বাক্য

→ কৰ্মবাচ্যৰ বাক্য

→ ভাববাচ্যৰ বাক্য

**কৰ্তৃবাচ্যৰ বাক্য ঃ** যি বাক্যত কৰ্তাক প্ৰাধান্য দিয়া হয় আৰু কৰ্তাই কাৰ ওপৰত কিহৰ সহায়ত কেনেকৈ কি কাৰণে কোনো কাৰ্য সম্পদান কৰে সেই কথাই প্ৰাধান্য লাভ কৰে তেনে বাক্যক কৰ্তৃবাচ্য বাক্য বুলি কোৱা হয়। কৈৱৰ্তসকলৰ কথিত ভাষাটো কৰ্তৃবাচ্য বাক্যৰ ব্যৱহাৰ লক্ষ্য কৰা যায়। যেনে—

- আমি কালি ফুইবলৈ গৈছিলু।
  (আমি কালি ফুৰিবলৈ গৈছিলোঁ।)
- তুমি সদাই সুসি হুআ।
  (তুমি সদায় সুখী হোৱা।)
- তুমআ সপুনবু পুঅন হওক।
  (তোমাৰ সপোনবোৰ পূৰণ হওক।)
- ইচএ তেওক দিগজিবি কই কুসলে ৰাসক।
  (ঈশ্বৰে তেওঁক দীৰ্ঘজীৱী কৰি কুশলে ৰাখক।)

**কৰ্মবাচ্যৰ বাক্য ঃ** কৰ্মবাচ্যৰ বাক্যত কৰ্মক প্ৰথম গুৰুত্ব দিয়া। কৈৱৰ্তসকলৰ কথিত ভাষাত কৰ্মবাচ্যৰ বাক্য গঠনত সমাপিকা ক্ৰিয়াটোত 'ই' বিভক্তি যোগ হয়। যেনে—

- আমি কালি ফুইবলৈ জাম।
  (আমি কালি ফুৰিবলৈ যাম।)
- এঘাঅ তাইসে ৰিজাল দিব।
  (এঘাৰ তাৰিখে ৰিজাল্ট দিব।)
- মিনাসিএ কচাইত কাম কইছিল।
  (মিনাক্ষীয়ে কাছাৰীত কাম কৰিছিল।)

**ভাববাচ্যৰ বাক্য ঃ** ক্ৰিয়াৰ কাৰ্যৰ বিষয়ে যি বাক্যত বৰ্ণনা প্ৰধান আৰু কৰ্তা কৰ্ম দুয়ো গৌণ হয় সেই বাক্যই ভাববাচ্য। যেনে—

- কেতিআ সুআ হব।
  (কেতিয়া খোৱা হ'ব।)
- কেতিআ অহা হল।
  (কেতিয়া অহা হ'ল।) ইত্যাদি।

| | |
|---|---|
| ☐ মন মেল | ইচ্ছা প্ৰকাশ |
| ☐ মন পুতি | মনোযোগ দিয়া |
| ☐ মুসৰ কথা<br>(মুখৰ কথা) | মিছা আশ্বাস দিয়া |
| সও পানি চু<br>(সৰু পানী ছো) | মূত্ৰ ত্যাগ কৰা |
| ☐ সাত ঘাতঅ চেঙেলি | টেঙৰ |
| ☐ কাল সতও<br>(সাত শত্ৰু) | মহা শত্ৰু |
| ☐ হাত লঅ<br>(হাত লৰ) | চুৰ স্বভাৱৰ |
| ☐ হাত ধু<br>(হাত ধো) | সম্পৰ্ক এৰা |
| ☐ হাত দিগল<br>(হাত দীঘল) | ক্ষমতাশালী |

**কৈৱৰ্তসকলৰ কথিত ভাষাত খণ্ডবাক্য আৰু জতুৱা খণ্ডবাক্য**

কোনো এটা ব্যক্যত দুটা বা তাতোধিক শব্দ লগ লগা একোটা গোট এটা শব্দৰ দৰে হয়, সেই শব্দৰ গোটটোক খণ্ডবাক্য বুলি কোৱা হয়।[১০] কৈৱৰ্তসকলৰ কথিত ৰূপত এই খণ্ডবাক্য আৰু জতুৱা খণ্ডবাক্যৰ প্ৰয়োগ লক্ষ্য কৰা যায়। যেনে-

- ৰঙ থকা কপুসন দিআ।

  (ৰং থকা কাপোৰখন দিয়া।)

বাক্যটোত **ৰঙ** আৰু **থকা** এই দুটা শব্দৰে গঠিত গোটটোৱে এটা বিশেষণ শব্দৰ নিচিনাহৈ কাপুসন শব্দটোৰ সৈতে সম্বন্ধ স্থাপন কৰিছে। সেই বাবেই **ৰঙ-থকা** এই শব্দ দুটা হ'ব খণ্ডবাক্য বোলা হয়।

খণ্ডবাক্য একোটা বিশেষ্য, বিশেষণ, ক্ৰিয়া বা ক্ৰিয়া বিশেষণ শব্দৰূপে ব্যৱহৃত হ'ব পাৰে।[১১] যেনে—

- তেও দাঙ মানুহ। (ক্ষমতাশালী বা প্ৰভাৱশালী)

  (তেওঁ ডাঙৰ মানুহ।)

- মই তা চকু কুতা দাতঅ সাল। (শত্ৰু)

  (মই তাৰ চকুৰ কুটা দাঁতৰ শাল।)

- চকু মুদিলে। (মৃত্যু হোৱা)

  (চুকু মুদিলে।)

- সেই ঘতনাতুত সি কানে কান মাই (কুনুমতে) বাচিলে।

  (সেই ঘচনাটোত সি কাণে কাণ মাৰি (কোনোমতে) সাৰিলে।)

ওপৰত উল্লেখ কৰা বাক্যকেইটাত মন কৰিবলগীয়া কথাটো এয়াই যে যিবোৰ শব্দৰে খণ্ড-বাক্যবোৰ গঠিত হৈছে সেইবোৰ শব্দই সাধাৰণতে যি অৰ্থ প্ৰকাশ কৰে খণ্ড-বাক্য হিচাবে ব্যৱহাৰ হোৱাত সিহঁতৰ অৰ্থ সুকীয়া হৈ গৈছে। শব্দবোৰৰ নিজৰ অৰ্থৰ সলনি সিংহঁতৰ সংযোগে আন অৰ্থ প্ৰকাশ কৰা হেতুকে সেইবোৰক জতুৱা খণ্ড-বাক্য বুলি ক'ব পাৰি। কৈৱৰ্তসকলৰ কথিত ভাষাত এনে ধৰণৰ অসংখ্য খণ্ডবাক্যৰ প্ৰয়োগ লক্ষ্য কৰা যায়। তলত কৈৱৰ্তসকলৰ কথিত ভাষাত লক্ষ্য কৰা খণ্ডবাক্য আৰু জতুৱা খণ্ডবাক্য উল্লেখ কৰা হ'ল—

| কৈঃসঃ খঃবাক্য আৰু জঃ খঃবাক্য | অৰ্থ |
|---|---|
| ☐ আকাসত সঅগ ভাগি পআ।<br>(আকাশত সৰগ ভাগি পৰা।) | অকস্মাৎ কোনো বিপদত পৰা |
| ☐ অকআ মইত উথা।<br>(অঁকৰা মৈত উঠা) | কোনো কামত নেৰানেপেৰাকৈ লাগি থকা |
| ☐ আঙলি মুঅত লেসিব পআ | অলপসংখ্যক |

(আঙুলি মূৰত গণিব পৰা)

- উথি ৰজা — ক্ষমতাশালী পুৰুষ
  (উঠি ৰজা)
- ওআহি গচঅ ও — কথাৰ মুল
  (উৰহীৰ ওৰ)
- ওথি পই লাগ — অত্যন্ত চেষ্টা কৰা
  (উঠি পৰি লগা)
- ককাল ভাঙ — বল নষ্ট কৰা
  (কঁকাল ভাঙ)
- ককাল পআ — দুৰ্বল
  (কঁকাল পৰা)
- কতা ঘাত নিমখ দিআ — দুখতে দুখ দিয়া
  (কটা ঘাঁত নিমখ দিয়া)
- কপালঅ ঘাম মাতিত পেলা — অতি পৰিশ্ৰম কৰা
  (কপালৰ ঘাম মাটিত পেলা)
- কপাল ফুলা — সৌভাগ্য

**কৈৱৰ্তসকলৰ কথিত ভাষাত বাক্যৰ উক্তি**

কথা কওঁতে বা লিখোতে কেতিয়াবা কোনো এজনে কোনো এষাৰ কথা যিধৰণে কৈছিল ঠিক তেনেধৰণেই কোৱা বা লেখা হয়। কেতিয়াবা আকৌ আনে কোৱা কথাখিনিক নিজৰ ধৰণেও কোৱা বা লেখা হয়।[১৩] কৈৱৰ্তসকলৰ কথিত ভাষাত উক্তি দুই প্ৰকাৰৰ পোৱা যায়—প্ৰত্যক্ষ উক্তি আৰু পৰোক্ষ উক্তি।

প্ৰত্যক্ষ উক্তিত কওঁতাৰ মূল কথা হুবহু ৰূপত উদ্ধৃতি চিহ্নৰ (“ ”) মাজত উল্লেখ কৰা হয়। যেনে—মিনাই কলে,“মই কিতাবসন পহি সেস কইলু।”

(মিনাই ক’লে,“ মই কিতাপখন পঢ়ি শেষ কৰিলোঁ ।”)
হইএ কইছিল,“মই ভাত নাসাও।”
(হৰিয়ে কৈছিল,“মই ভাত নাখাও।”)

আনহাতে পৰোক্ষ উক্তিত বক্তাৰ কথা যেতিয়া আনৰ ভাষাত ব্যক্ত হয় তেতিয়াই সি পৰোক্ষ উক্তি হয়।[১১] যেনে—
ধঅনিএ কইছিল জে তেওঁ ভাত নাসাই।
(ধৰণীয়ে কৈছিল যে তেওঁ ভাত নাখায়।)
সি চা সাম বুলি কইছিল।
(সি চাহ খাম বুলি কৈছিল)

কৈৱৰ্তসকলৰ কথিত ভাষাত জে,বুলে, বুলি, হেনু আদি অব্যয় ব্যৱহাৰ কৰি প্ৰত্যক্ষ উক্তিক পৰোক্ষ কৰা হয়। যেনে—

প্ৰত্যক্ষ উক্তি ঃ মই কলু," মই কলেজলৈ জাম"।।

পৰোক্ষ উক্তি ঃ মই কলু যে মই কলেজলৈ জাম।

প্ৰত্যক্ষ উক্তি ঃ মই তেওক কলু,"মই আজি ইচকুললৈ নাজাও"।

পৰোক্ষ উক্তি ঃ মই আজি নাজাও বুলি তেওক কলু।

প্ৰত্যক্ষ উক্তি ঃ সি কলে,"সি আজি পআ এনে কাম নকএ"।

পৰোক্ষ উক্তি ঃ সিকলে সি হেনু আজি পআ তেনে কাম নকএ।

প্ৰত্যক্ষ উক্তি ঃ তেওক কথাতু সুধিলু,"তেও কলে এই বিষয়ে একু নাজানু।"।

পৰোক্ষ উক্তি ঃ তেওক কলে যে তেও বুলে এই বিষএ একু নাজানে।

**উপসংহাৰ**

এনেদৰে দেখা যায় যে কৈৱৰ্তসকলৰ ভাষা সাধাৰণতে অসমীয়া ভাষাৰ সৈতে সংযুক্ত হলেও তেওঁলোকৰ বাক্য গাথনি নিজস্ব শৈলীৰে সমৃদ্ধ। কৈৱৰ্তসকলৰ কথিত ভাষাত মান্য অসমীয়া ভাষাৰ বাক্যতত্ত্বৰ সৈতে সাদৃশ্য থাকিলেও তেওঁলোকৰ জীৱনধাৰাৰ প্ৰভাৱত নিৰ্দিষ্ট শব্দ, ব্যাকাংশ আৰু ব্যৱকৰণৰ ব্যৱহাৰ দেখা যায়। কৈৱৰ্তসকলৰ কথিত ভাষাত বাক্য গঠন সাধাৰণতে সৰল আৰু প্ৰতেক্ষ। যিহেতু ই দৈনন্দিন জীৱনৰ সৈতে জড়িত।

পাদটীকা

১. ভাষা বিজ্ঞানৰ উপক্ৰমণিকা- অৰ্পণা কোঁৱৰ-পৃষ্ঠা-১৬৫

২.উল্লিখিত-পৃষ্ঠা-১৬৫

৩.উল্লিখিত-পৃষ্ঠা-১৬৭

৪.উল্লিখিত-পৃষ্ঠা-১৬৭

৫. ভাষা বিজ্ঞান প্ৰৱেশ, বসন্ত কুমাৰ ভট্টাচাৰ্য্য, পৃষ্ঠা-১৭৭

৬. উল্লিখিত, পৃষ্ঠা-১৭৭

৭. উল্লিখিত, পৃষ্ঠা-১৭৮

৮. উল্লিখিত, পৃষ্ঠা-১৭৮

৯. পূৰ্বোল্লিখিত, পৃষ্ঠা-১৮৮

১০.অসমীয়া ভাষাৰ ব্যাকৰণ-ড° উপেন্দ্ৰনাথ গোস্বামী-পৃষ্ঠা-১২৪

১১. উল্লিখিত-পৃষ্ঠা-১২৪

১২.উল্লিখিত-পৃষ্ঠা-১২৪

১৩.পূৰ্বোল্লিখিত-পৃষ্ঠা-১৮১

গ্ৰন্থপঞ্জী

কোঁৱৰ, অৰ্পণা, ভাষাবিজ্ঞান উপক্ৰমণিকা, ডিব্ৰুগড়, বনলতা, পঞ্চম সংস্কৰণ, ডিচেম্বৰ, ২০১২

কোঁৱৰ, অৰ্পণা আৰু শৰ্মা অনুৰাধা (সম্পাঃ), ভাষাবিজ্ঞান পাৰিভাষিক কোষ, ডিব্ৰুগড় বিশ্ববিদ্যালয়,

পাটগিৰি, দীপ্তি ফুকন, ভাষাতত্ত্ব,বনলতা,ডিব্ৰুগড়, চতুৰ্থ সংস্কৰণ, এপ্ৰিল-২০০৬

পাটগিৰি, দীপ্তি ফুকন, উপভাষা আৰু অসমৰ উপভাষা(সম্পাঃ) অসমীয়া বিভাগ গুৱাহাটী বিশ্ববিদ্যালয়,প্ৰথম প্ৰকাশ,মাৰ্চ-২০১০

বৰা ,শইকীয়া, লীলাৱতী, অসমীয়া ভাষাৰ ৰূপতত্ত্ব, বনলতা,গুৱাহাটী,তৃতীয় সংস্কৰণ,মাৰ্চ,২০১৫

বৰুৱা, ভীমকান্ত, অসমৰ ভাষা,বনলতা, ডিব্ৰুগড়,পঞ্চম পৰিৱৰ্ধিত সংস্কৰণ,জানুৱাৰী-২০১০

ভট্টাচাৰ্য, বসন্ত কুমাৰ, ভাষা বিজ্ঞান প্ৰৱেশ, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, প্ৰথম প্ৰকাশ,১৯৯৩

ভৰালী, দেৱানন্দ, অসমীয়া ভাষাৰ মৌলিক বিচাৰ,লয়াৰ্চ বুক ষ্টল,গুৱাহাটী,পুনৰ মুদ্ৰণ-২০১৮

মৰল, দীপংকৰ, উপভাষা বিজ্ঞান,বনলতা,গুৱাহাটী,তৃতীয় পৰিৱৰ্ধিত সংস্কৰণ-নৱেম্বৰ-২০০৭

শইকীয়া, নগেন, অসমীয়া মানুহৰ ইতিহাস, কথা প্ৰকাশন, গুৱাহাটী,নৱেম্বৰ-২০১৩

শৰ্মা, অনুৰাধা, শৈলী আৰু শৈলীবিজ্ঞান,বান্ধৱ, পৰিৱৰ্ধিত তৃতীয় সংস্কৰণ-২০১৫

শৰ্ম, অনুৰাধা, সমাজ আৰু ভাষা সমাজবিজ্ঞানৰ পৰিচয়,বান্ধৱ, প্ৰথম সংস্কৰণ,মে'-২০১৬

হাকাচাম, উপেন ৰাভা, অসমীয়া আৰু অসমৰ জাতি-জনগোষ্ঠী, অসমীয়া বিভাগ গুৱাহাটী বিশবিদ্যালয়,কিৰণ প্ৰকাশ,জানুৱাৰী-২০১৩

হাকাচাম, উপেন ৰাভা, লোকভাষাৰ প্ৰকৃতি বিচাৰ, বিশাল প্ৰকাশন, গুৱাহাটী